# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-07-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ডিব্ৰুগড়ত প্ৰায় ৬০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাখনো আঁচনিৰ আধাৰশিলা স্থাপন।

২। মেৰাপানীৰ ২ নম্বৰ নেঘেৰিবিল গাঁৱত বসতি কৰা লোকসকলক সাদিনৰ ভিতৰত গাঁও এৰিবলৈ বন বিভাগৰ জাননী জাৰি।

৩। আই আই টি গুৱাহাটীৰ গৱেষকৰ বাম্বুচা টুল্ডা নামৰ বাঁহৰ বিশেষ প্ৰজাতি ব্যৱহাৰেৰে পৰিৱেশ অনুকুল কম্পোজিত মেটেৰিয়েল উদ্ভাৱন।

৪। প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত অহা ৩১ অক্টোবৰৰ ভিতৰত ৰাজ্যত ২৮ লাখ গৃহ নিৰ্মাণ সম্পূৰ্ণ হ'ব বুলি মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ ঘোষণা। **আৰু**

৫। অ'ল্ড ট্ৰেফ'ৰ্ডৰ চতুৰ্থ ক্ৰিকেট টেষ্টৰ আজি দ্বিতীয় দিনা ভাৰতৰ প্ৰথম ইনিংছত ৩৫০ ৰান অতিক্ৰম।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় বিশ্ববিদ্যালয় চৌহদত ৩২৪ গৰাকী ছাত্ৰী থাকিব পৰা এটা অত্যাধুনিক ছাত্ৰী নিবাসৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে আজি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় চিকিৎসালয় চৌহদত অধ্যাপকৰ আবাস প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। আজিৰ ব্যস্ত কাৰ্যসূচীৰ অংশ হিচাপে মুখ্যমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড়ত প্ৰায় ৬০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাখনো আঁচনিৰ আধাৰশিলা স্থাপন কৰে। ড° শৰ্মাই প্ৰথমেই ১৪৬ কোটি ৪৩ লাখ টকা ব্যয় সাপেক্ষে মুখ্যমন্ত্ৰীৰ বিশেষ অনুদান আৰু পি এম ঊষা আঁচনিৰ অধীনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিভিন্ন আন্তঃগাঁথনিমূলক কাম-কাজৰ আধাৰশিলা স্থাপন কৰে।

মুখ্যমন্ত্ৰীৰ বিশেষ অনুদান আঁচনিৰ অধীনত বিশ্ববিদ্যালয়খনৰ আভ্যন্তৰীণ পথসমূহৰ সম্প্ৰসাৰণ আৰু মেৰামতি, ১৬ টা আবাসযুক্ত হাউছিং ব্লক, ক্ৰীড়া প্ৰাংগন আৰু ব্যায়ামাগাৰ নিৰ্মাণ কৰা হ'ব। একেদৰে প্ৰধানমন্ত্ৰী উচ্চতৰ শিক্ষা অভিযান, চমুকৈ ঊষাৰ অধীনত ১৭৬ গৰাকী ছাত্ৰী থাকিব পৰা নিবাস, শৈক্ষিক ভৱন, শৈক্ষিক গৱেষণা কেন্দ্ৰ আৰু ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা গ্ৰন্থাগাৰ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়। ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০-ৰ সফল ৰূপায়ণৰ লক্ষ্যৰে গ্ৰহণ কৰা এই পদক্ষেপে অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনক নতুন দৃষ্টিভংগীৰে অগ্ৰসৰ হোৱাত সহায় কৰিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই তেওঁৰ ভাষণত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ লগতে ৰাজ্যৰ ভালেকেইখন বিশ্ববিদ্যালয়ত আন্তঃগাঁথনি উন্নয়নৰ কাম আৰম্ভ হৈছে বুলি প্ৰকাশ কৰে।

বাইট

মুখ্যমন্ত্ৰী শৰ্মাই আজি নাহৰকটীয়াত ১৩০ কোটি টকা ব্যয়সাপেক্ষে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই অনুসৰি নাহৰকটীয়া সম জিলা আয়ুক্ত কাৰ্যালয়, নামৰূপ-নাহৰকটীয়া পথ উৰণ সেতু, নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় ভৱন, কুঁৰৰীগাঁও উচ্চ মাধ্যমিক বিদ্যালয় ভৱন আৰু হকী ষ্টেডিয়ামৰ আধাৰশিলা স্থাপন কৰে।

বাইট

অনুষ্ঠানত পৰিবহণ মন্ত্ৰী যোগেন মহন, দক্ষতা, নিয়োগ আৰু উদ্যমিতা আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন আৰু নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈ উপস্থিত থাকে।

০০০০০

গোলাঘাট জিলাৰ মেৰাপানীৰ ২ নম্বৰ নেঘেৰিবিল গাঁৱত বাস কৰা দখলকাৰীসকলক সাত দিনৰ ভিতৰত গাঁও এৰিবলৈ বন বিভাগে জাননী জাৰি কৰিছে। বন বিভাগৰ দলে আজি ঘৰে ঘৰে গৈ এই জাননী বিতৰণ কৰে। গোলাঘাট সংমণ্ডলৰ বন বিষয়াই জাৰি কৰা এই জাননীত এই লোকসকলে জামুগুৰি আঞ্চলিক বন কাৰ্যালয়ৰ অন্তৰ্গত দৈয়াং সংৰক্ষিত বনাঞ্চল এলেকাত অবৈধভাৱে প্ৰৱেশ কৰি বনাঞ্চল ধ্বংস কৰি গৃহ নিৰ্মাণৰ লগতে বনভূমিক কৃষিভূমিলৈ ৰূপান্তৰ কৰিছে বুলি কোৱা হৈছে। সংৰক্ষিত বনাঞ্চলত অনুমতি নোহোৱাকৈ বসবাস কৰাৰ বাবে তেওঁলোকক শীঘ্ৰেই এই বনভূমি খালী কৰি দিবলৈ নিৰ্দেশ দিয়া হৈছে। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে এই জাননী দিয়াৰ সময়ত বহুসংখ্যক লোক ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰে। বন বিভাগৰ এই জাননী পক্ষপাতিত্বমূলক বুলি অভিযোগ কৰি জাননী লাভ কৰা লোকসকলে উচ্ছেদৰ জাননী ফালি পেলাই বুলিও আমাৰ সংবাদদাতাই জনাইছে।

উৰিয়ামঘাট অঞ্চলত বাস কৰা সন্দেহযুক্ত নাগৰিকক উচ্ছেদৰ বাবেও বনবিভাগে ইতিমধ্যে জাননী জাৰি কৰিছে। উচ্ছেদৰ পূৰ্বে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কাইলৈ উৰিয়ামঘাটত পৰিস্থিতিৰ বুজ ল'ব। বন বিভাগৰ জাননী লাভ কৰাৰ পাছতে কেইবাশ দখলকাৰীয়ে উৰিয়ামঘাটৰ পৰা অন্য ঠাইলৈ ৰাওনা হৈছে বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে। বন বিভাগৰ জাননী অনুসৰি অহা ২৭ জুলাইৰ পৰা সেই স্থানত উচ্ছেদ চলোৱা হ'ব।

০০০০০

ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান আই আই টি গুৱাহাটীৰ গৱেষকৰ এটা দলে বাম্বুচা টুল্ডা নামৰ বাঁহৰ এটা বিশেষ প্ৰজাতি ব্যৱহাৰ কৰি পৰিৱেশ অনুকুল কম্পোজিত মেটেৰিয়েল অৰ্থাৎ সংমিশ্ৰিত পদাৰ্থ উদ্ভাৱন কৰিছে। উত্তৰ-পূব ভাৰতৰ আৰ্দ্ৰ আৰু উষ্ণ পৰিৱেশত দ্ৰুতগতিত বৃদ্ধি পোৱা বাঁহৰ প্ৰজাতিটো জৈৱ বিঘ্নিত পলিমাৰৰ সৈতে সংযোগ কৰি এই সংমিশ্ৰিত পদাৰ্থবিধ তৈয়াৰ কৰা হৈছে। উচ্চ শক্তিসম্পন্ন আৰু তাপৰ স্থিৰতাযুক্ত এই নতুনকৈ আৱিষ্কৃত পদাৰ্থবিধ কমকৈ আৰ্দ্ৰতা শোষণ কৰাৰ লগতে উৎপাদন ব্যয় কম হোৱাৰ কাৰণে সাধাৰণ প্লাষ্টিকৰ বিকল্প হিচাপে ব্যৱহাৰ হোৱাৰ সম্ভাৱনা আছে। যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ অধ্যাপক পুনম কুমাৰীৰ নেতৃত্বত সম্পন্ন হোৱা এই গৱেষণাই প্লাষ্টিক আৱৰ্জনা সমস্যাৰ সমাধান কৰাৰ ক্ষেত্ৰত ফলপ্ৰসূভাৱে কাম কৰিব বুলি আশা কৰা হৈছে। ইতিমধ্যে আই আই টি গুৱাহাটীৰ গৱেষকসকলে জৈৱ ভিত্তিক বা পেট্ৰ'লিয়াম

ভিত্তিক ইপক্সিৰে শক্তিশালী কৰা বাম্বুচা টুল্ডা বাঁহবিধৰ বিশেষ সংযোগী পৰীক্ষা সম্পন্ন কৰিছে। এই সংমিশ্ৰিত পদাৰ্থবিধ উন্নত বৈদ্যুতিক পদাৰ্থ, যান-বাহন, বিমান, বহনক্ষম নিৰ্মাণ সামগ্ৰী ইত্যাদিৰ উৎপাদন আৰু অংশ নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰা হ'ব। কাঠ, লোহা আৰু প্লাষ্টিকৰ বিকল্প এই পদাৰ্থবিধৰ নিৰ্মাণ ব্যয়ো অতি কম হ'ব বুলি অধ্যাপক পুনম কুমাৰীয়ে জানিবলৈ দিছে। সম্প্ৰতি শৈক্ষিক আৰু গৱেষণা প্ৰতিষ্ঠানটোৱে নব্য বিকশিত পদাৰ্থবিধৰ জীৱনচক্ৰৰ মূল্যায়ন কৰি আছে।

ooooo

প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত অহা ৩১ অক্টোবৰৰ ভিতৰত ২৮ লাখ গৃহ নিৰ্মাণ সম্পূৰ্ণ হ'ব বুলি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে প্ৰকাশ কৰিছে। শিৱসাগৰ জিলা আয়ুক্ত সভাকক্ষত আজি বিভাগীয় বিষয়া-কৰ্মচাৰীৰ উপস্থিতিত এখন পৰ্যালোচনা সভাত অংশ লোৱাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। তেওঁ কয়, যে এই আঁচনিৰ অধীনত ৰাজ্যত ২৮ লাখ গৃহৰ ভিতৰত ২১ লাখৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু বাকী থকা ৭ লাখ গৃহৰ নিৰ্মাণকাৰ্য চলি আছে।

বাইট

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত শিৱসাগৰ জিলাৰ বাবে আবণ্টিত ৪৩ হাজাৰ বাসগৃহৰ ৩৩ হাজাৰৰ নিৰ্মাণ ইতিমধ্যে সম্পূৰ্ণ হৈছে।

ooooo

আকাশবাণীৰ সঞ্চালকপ্ৰধান ডঃ প্ৰজ্ঞা পালিৱাল গৌড়ে আজি শ্বিলঙত মেঘালয়ৰ আকাশবাণী কেন্দ্ৰসমূহত কাম-কাজৰ পৰ্যালোচনা কৰে। আকাশবাণীৰ শ্বিলং, তুৰা, জোঁৱাই আৰু নংষ্টইন কেন্দ্ৰৰ বিষয়াবৰ্গই অংশগ্ৰহণ কৰা এই পৰ্যালোচনা বৈঠকত ডঃ গৌড়ে কেন্দ্ৰসমূহৰ অনুষ্ঠানশৈলীত অভিনৱত্ব সংযোগেৰে বিজ্ঞাপন আহৰণৰ অধিক প্ৰয়াস চলাবলৈ বিষয়াবৰ্গক নিৰ্দেশ দিয়ে। তেওঁ কয়, যে উত্তৰ-পূৰ্বাঞ্চলৰ শ্ৰোতাসকলৰ উপযোগীকৈ অনুষ্ঠানসমূহ অধিক আকৰ্ষণীয় কৰি তুলিব পাৰিলেহে বিজ্ঞাপনৰ জৰিয়তে এই কেন্দ্ৰসমূহে উপাৰ্জন কৰিব পাৰিব।

কাইলৈ বিয়লি ডঃ পালিৱাল গৌড় গুৱাহাটীলৈ আহিব আৰু শনিবাৰে তেওঁ গুৱাহাটীত অসমৰ আকাশবাণী কেন্দ্ৰসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰিব। ২৭ জুলাইত তেওঁ নতুন দিল্লীলৈ উভতি যাব।

ooooo

কাছাৰ জিলাৰ কালাইনৰ সিন্দূৰা বনভোজ থলী পৰ্যটকৰ বাবে সাময়িকভাৱে বন্ধ কৰি দিয়া হৈছে। যোৱা দেওবাৰে সিন্দূৰা নৈত পৰি শ্ৰীভূমিৰ দুজন যুৱকৰ মৃত্যুৰ পাছতে জিলা প্ৰশাসনে এই সিদ্ধান্ত গ্ৰহণ কৰে। কাটিগড়া ৰাজহ চক্ৰৰ অন্তৰ্গত এই বনভোজ থলীত প্ৰয়োজনীয় নিৰাপত্তাৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে সেই ঠাইত জনসাধাৰণৰ প্ৰৱেশ নিষিদ্ধ কৰিছে। জিলা আয়ুক্ত মৃদুল যাদৱে এই সংক্ৰান্তীয় নিৰ্দেশনা জাৰি কৰি কয় যে প্ৰয়োজনীয় সাৱধানতা অবিহনে এনে স্থানত জনসাধাৰণে মুক্তভাৱে ঘূৰা-ফুৰা কৰাৰ ফলত বিপদৰ সন্মুখীন হ'ব পাৰে। এই নিৰ্দেশৰ উলংঘা কৰিলে দুৰ্যোগ ব্যৱস্থাপনা আইনৰ ধাৰাৰ অধীনত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জিলা আয়ুক্তগৰাকীয়ে উল্লেখ কৰে।

ooooo

দৰং আৰক্ষীয়ে মঙলদৈ চহৰৰ দুই নম্বৰ ৱাৰ্ডত অভিযান চলাই আজি বুজন পৰিমাণৰ মাদক দ্ৰব্য, ৮টা মোবাইল ফোন, এটা টেবলেট, কম্পিউটাৰ আৰু নগদ ধনসহ দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা সৰবৰাহকাৰী দুজনৰ এগৰাকী মহিলা। আছিয়া বেগম নামৰ ধৃত মহিলাগৰাকীৰ ঘৰত তালাচী চলাই আৰক্ষীয়ে মাদক দ্ৰব্য আৰু অন্যান্য সামগ্ৰীসমূহ জব্দ কৰে। আমাৰ দৰং জিলাৰ সংবাদদাতাই দিয়া তথ্য অনুযায়ী মহিলাগৰাকীয়ে দীৰ্ঘদিন দিন ধৰি নিচাজাতীয় দ্ৰব্যৰ অবৈধ বেহা চলাই আহিছিল। অধিক তথ্যৰ বাবে দৰং আৰক্ষীয়ে আছিয়া বেগম আৰু সহযোগী আনোৱাৰ হুছেইনৰ বিৰুদ্ধে মঙলদৈ থানাত এটা গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

00000

ৰাজ্যৰ পাঁচখন জিলা – বাক্সা, চিৰাং, কোকৰাঝাৰ, নলবাৰী আৰু ওদালগুৰিৰ ১২ গৰাকী মেধাৰী ছাত্ৰ-ছাত্ৰীয়ে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা- ইছৰ'ৰ কাৰ্যালয় পৰিদৰ্শনৰ উদ্দেশ্যে কালি যাত্ৰা কৰে। ছাত্ৰ-ছাত্ৰীৰ দলটোৱে ২৬ জুলাইলৈকে ইছৰ'ৰ কাম-কাজ প্ৰত্যক্ষ কৰিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে নৰমৰ পৰা দ্বাদশ শ্ৰেণীত অধ্যয়নৰত ৰাজ্যখনৰ চৰকাৰী আৰু প্ৰাদেশীকিকৃত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দলটোক শুভেচ্ছা জ্ঞাপন কৰিছে। এই ভ্ৰমণৰ জৰিয়তে তেওঁলোকে ভাৰতৰ মহাকাশ অভিযান, গৱেষণাৰ সা-সুবিধা আৰু প্ৰযুক্তিগত দিশত অগ্ৰগতি সন্দৰ্ভত জানিব পাৰিব। সমগ্ৰ শিক্ষা অসমৰ কাৰ্যালয়ত মিছন সঞ্চালক ড° ওম প্ৰকাশে নৰ্থ-ইষ্ট ষ্টুডেণ্ট প্ৰ'গ্ৰাম ফৰ এৱেৰনেছ, ৰিচ এণ্ড ন'লেজ অন স্পেচ অৰ্থাৎ এন ই স্পাৰ্কছ্ কাৰ্যসূচীৰ অধীনত তৃতীয়টো গোটৰ এই ছাত্ৰ-ছাত্ৰীসকলৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। উল্লেখযোগ্য যে উত্তৰ-পূব মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ দ্বাৰা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ প্ৰতিখন ৰাজ্যৰ পৰা ১০০ গৰাকী ছাত্ৰ-ছাত্ৰীক আই এছ আৰ ডি, বেংগালুৰুলৈ ভ্ৰমণৰ ব্যৱস্থা কৰি মহাকাশ বিজ্ঞান আৰু প্ৰযুক্তি সম্পৰ্কে সজাগতা বৃদ্ধিৰ বাবে পৰ্যায়ক্ৰমে প্ৰেৰণ কৰাৰ এটা প্ৰকল্প ৰূপায়ণ কৰা হৈছে। প্ৰকল্পৰ প্ৰতিটো পৰ্যায়ত এটা ১২ জনীয়া ছাত্ৰ-ছাত্ৰীৰ গোটক এগৰাকী শিক্ষকে নেতৃত্ব দিয়ে।

00000

দিছপুৰ আৰক্ষীয়ে গুৱাহাটী মহানগৰীত লুকাই থকা কেৰালা আৰু মহাৰাষ্ট্ৰৰ তিনিজন চাইবাৰ অপৰাধত অভিযুক্ত ব্যক্তিক আজি গ্ৰেপ্তাৰ কৰে। দিছপুৰ ছুপাৰ মাৰ্কেটৰ এখন হোটেলৰ পৰা আৰক্ষীয়ে গৌতম শিৰু লীনা, মহম্মদ সমীৰ আৰু অমন আণ্ডেছ সিন্দে নামৰ ব্যক্তি তিনিজনক গ্ৰেপ্তাৰ কৰি তদন্ত অব্যাহত ৰাখিছে।

00000

সদৌ অসম যোগাসন ক্ৰীড়া সন্থাৰ উদ্যোগত চৰাইদেউ জিলা যোগাসন ক্ৰীড়া সন্থাৰ সহযোগত সাপেখাটিত আজিৰে পৰা পঞ্চম বাৰ্ষিক সদৌ অসম যোগাসন ক্ৰীড়া প্ৰতিযোগিতা আৰম্ভ হৈছে। সাপেখাটি মজলীয়া বিদ্যালয়ৰ খেলপথাৰত চাৰিদিনীয়াকৈ আয়োজন কৰা প্ৰতিযোগিতাখনত বিভিন্ন জিলাৰ প্ৰায় ৫ শতাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈয়ে পতাকা উত্তোলন কৰা প্ৰতিযোগিতাখনৰ সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে শুভ উদ্বোধন কৰে। প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলে ৰাষ্ট্ৰীয় পৰ্যায়ত খেলাৰ সুবিধা লাভ কৰিব।

00000

ভাৰত আৰু ইংলেণ্ডৰ মাজত অ'ল্ড ট্ৰেফ'ৰ্ডত চলি থকা চতুৰ্থ ক্ৰিকেট টেষ্টৰ আজি দ্বিতীয় দিনা ভাৰতে প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ৩৫৮ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ভোজন বিৰতিৰ পৰলৈকে ৬ উইকেটৰ বিনিময়ত ৩২২ ৰান সংগ্ৰহ কৰা ভাৰতৰ হৈ ছাই সুদৰ্শন ৬১ ৰান কৰি, ছাৰ্দুল ঠাকুৰে ৪১ ৰান আৰু ৰবীন্দ্ৰ জাডেজাই ২০ ৰান কৰি আউট হয়। কালি আঘাতপ্ৰাপ্ত হৈ খেলপথাৰ ত্যাগ কৰিবলগীয়া হোৱা ভাৰতৰ উপ-অধিনায়ক ঋষভ পণ্ট বেটিং কৰিবলৈ আহে আৰু ভাৰতৰ ৰান সংখ্যা আগবঢ়াবলৈ চেষ্টা কৰে যদিও ক্ৰমাগত উইকেট পতনৰ ফলত ৩৫৮ ৰানত ইনিংছ সামৰিবলৈ বাধ্য হয়।

ভোজন বিৰতিৰ পাছত ভাৰতে ৱাশ্বিংটন সুন্দৰৰ উইকেট হেৰুৱায়। টেষ্ট অভিষেক ঘটা অংশুল কম্বোজে আজি এটাও ৰান সংগ্ৰহ নকৰাকৈ আউট হয়। ঋষভ পণ্ট ৫৪ ৰান কৰি জ'ফ্ৰা আৰ্চাৰৰ বলত বল্ড আউট হয়।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ২৬ জুলাই, শনিবাৰে নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত 'গ্ৰীষ্মকালীন শিবিৰ' সম্পৰ্কত এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত আয়োজিত গ্ৰীষ্মকালীন শিবিৰৰ প্ৰাসংগিকতা সন্দৰ্ভত আকাশবাণীৰ সংবাদদাতা আৰু আন কেইগৰাকীমান অভিজ্ঞ ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু প্ৰযোজনা পৰিস্মিতা দিহিঙীয়া আৰু অৰুণিমা গোস্বামীৰ।

০০০০০

সমাপ্ত